জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭৭/২০২১

# শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ মণিকূট, কীৰ্ত্তন ঘৰ আৰু নাটঘৰৰ উন্নয়ন কাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

**দিছপুৰ, ২১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ বটদ্ৰৱাত উপস্থিত হৈ শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ মণিকূট, কীৰ্ত্তন ঘৰ আৰু নাটঘৰৰ উন্নয়নৰ বাবে হাতত লোৱা নিৰ্মাণ কাৰ্যৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে প্ৰাইড ইষ্ট এন্টাৰটেইনমেন্ট প্ৰাইভেট লিমিটেড আৰু ৰাজধানী মাৰ্বলছকে ধৰি কিছুসংখ্যক ব্যক্তিগত প্ৰতিষ্ঠান আৰু ব্যক্তিৰ সহায়-সহযোগিতাৰে এই উন্নয়নমূলক কামসমূহ হাতত লোৱা হৈছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বটদ্ৰৱা থান চৌহদ পৰিদৰ্শন কৰি ইয়াৰ আন্তঃগাঁথনিৰো বুজ লয়। থানৰ ভকতৰ বহাসমূহ, সভাঘৰ, কাৰ্যালয় কক্ষকে ধৰি থান চৌহদৰ সামগ্ৰিক আন্তঃগাঁথনিৰ পুনৰুজ্জীৱিতকৰণৰ বাবে এক বিস্তৃত পৰিকল্পনা যুগুত কৰিবলৈ তেওঁ লোক নিৰ্মাণ বিভাগৰ বিষয়াসকলৰ লগতে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে আজি লোক নিৰ্মাণ বিভাগৰ অভিযন্তা তথা শীৰ্ষ বিষয়াসকলৰ পৰা বটদ্ৰৱা থান সাংস্কৃতিক আৰু পৰ্যটন প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰি তোলাৰ বাবে নিৰ্মাণ কাৰ্য দ্ৰুত গতিত আগবঢ়াই নিবলৈ তেওঁ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে বটদ্ৰৱা থানৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে ১৮৮ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্য চৰকাৰে হাতত লোৱা বৃহৎ প্ৰকল্পৰ আধাৰশিলা গৃহমন্ত্ৰী অমিত শ্বাহে চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত স্থাপন কৰিছিল।

আজিৰ এই কাৰ্যসূচীত বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰা, প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা, শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, উপায়ুক্ত কবিতা পদ্মনাভন, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ, প্ৰাইড ইষ্ট এন্টাৰটেইনমেন্ট প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মা, লোক নিৰ্মাণ বিভাগৰ বিষয়াসকল, শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলৰ লগতে জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**২১/০৭/২০২১**